খাৰিফ বতৰত প্ৰধান শস্যসমূহৰ ক্ষেত্ৰত পূৰ্ণ শতাংশ বীজ শোধনৰ
নিশ্চিতিৰ বাবে ৰাজ্যিক নিৰ্দ্দিষ্ট কৰ্ম আঁচনিৰ অধীনত

# বীজ শোধন প্ৰণালী

সু-সংহত শস্য সুৰক্ষা ব্যৱস্থাপনাত বীজ শোধন প্ৰক্ৰিয়া এটি অতি দৰকাৰী আৰু প্ৰয়োজনীয় কৌশল।বীজ শোধনৰ জৰিয়তে বীজ আৰু মাটিত থকা বিভিন্ন বেমাৰৰ বাহকৰ নিয়ন্ত্ৰণ কৰাৰ উপৰিও শস্যৰ বৃদ্ধিৰ আগভাগত দেখা দিয়া বিভিন্ন পোক-পৰুৱা আৰু বেমাৰ-আজাৰৰ আক্ৰমনাক বাধা দিব পাৰে।

**বীজ শোধনৰ বাবে সুৰক্ষাদায়ক দৰৱ/জৈৱ নিয়ন্ত্ৰক :**

বীজত থকা বা মাটিত জন্মা বেমাৰ-আজাৰৰ বাহক নিয়ন্ত্ৰণৰ বাবে ট্ৰাইকোডাৰমা ভিৰিডি/ছাৰ্জিয়ানামৰ দ্বাৰা বীজ শোধন ।

শস্য বৃদ্ধিৰ আগতীয়া অৱস্থাত আক্ৰমণ কৰা পোক-পৰুৱা,বেমাৰ-আজাৰ নিয়ন্ত্ৰ কৰিবলৈ পৰিবেশসন্মত উযুক্ত ৰাসায়নিক দ্ৰব্যৰ দ্বাৰা বীজ শোধন।

পৰিমান :

- ধান আৰু শাক-পাচলিৰ খেতিৰ ক্ষেত্ৰত প্ৰতি হেক্টৰ বীজতলীৰ বাবে ২৫ কিলোগ্ৰাম ট্ৰাইকোডাৰমা ভিৰিডি প্ৰয়োগ কৰক।
- মাহজাতীয় আৰু তেলজাতীয় শস্যৰ ক্ষেত্ৰত প্ৰতি কিলোগ্ৰাম বীজৰ বাবে ৫ গ্ৰামৰে শোধন কৰক।
- শাক-পাচলিৰ বীজ শোধনৰ বাবে প্ৰতি হেক্টৰ কৃষি ভূমিৰ বাবে ০.০২৫ কিলোগ্ৰাম ইমিডাক্ল’প্ৰিড ১৭.৮ এচ.এল/ক্লোৰপাইৰিফছ ১০ জি,৩ গ্ৰাম প্ৰতিবৰ্গ মিটাৰ ধানৰ কঠিয়াতলীৰ বাবে ব্যৱহাৰ কৰক।




বীজ/বীজতলী/কঠিয়াবোৰ নিৰ্দ্দিষ্ট পৰিবেশসন্মত কীটনাশক জৈৱ নিয়ন্ত্ৰণেৰে শোধন কৰিলে ধান খেতিডৰাক ব্লাষ্ট, ছিথ, ব্লাইট, ৰ’ট, বি.এল.বি বেমাৰ তথা হোৰাল মেগট,টুপলীকটা, মজাখোৰা, থ্ৰপছ, সোহানী পোক ইত্যাদি আগতীয়া অনিষ্টকাৰী পোক-পৰুৱাৰ পৰা সুৰক্ষা প্ৰদান কৰিব পাৰি।

মাহজাতীয়,তৈলজাতীয়শস্য আৰু শাক-পাচলিৰ ডেমপিং অফ’বেমাৰ আৰু আগতীয়া অনিষ্টকাৰী পো ক পৰুৱাবোৰ বীজ শোধনৰ দ্বাৰা সন্তোষজনক ভাৱে নিয়ন্ত্ৰণ কৰি ৰাখিব পাৰি।

।। কৃষি সঞ্চালক অসমৰ দ্বাৰা প্ৰকাশিত ।।

*সবিশেষ জানিবলৈ জিলা কৃষি বিষয়া, মহকুমা কৃষি উন্নয়ন বিষয়া,গাওঁ পৰ্যায়ৰ কৃষি সম্প্ৰসাৰণ কৰ্মীৰ লগত যোগাযোগ কৰক ।*